# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 08-11-2025** **Time : 1910 Hrs**

***Assamese Evening Bulletin***

***Headlines***

---------------------------

১। লোকসভাত আজি ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

২। দিল্লীৰ এখন আদালতে লালকিল্লাত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিজন চিকিৎসক আৰু এজন প্ৰচাৰকৰ নিয়াৰ জিম্মাৰ ম্যাদ ৪ দিনৰ বাবে বৃদ্ধি কৰিছে।

৩। ভাৰতে স্বচ্ছ শক্তিৰ ক্ষেত্ৰত মুঠ শক্তি উৎসৰ ৫০ শতাংশ অজীৱাশ্ম উৎসৰ পৰা আহৰণ কৰা লক্ষ্যত উপনীত হৈছে।

৪। ভাৰত-নেপাল সাংস্কৃতিক মহোৎসৱৰ তৃতীয় সংস্কৰণ আজি নেপালৰ লুম্বিনিত আৰম্ভ হৈছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথম খেল কাইলৈ কটকত খেলোৱা হ'ব।

oooooo

লোকসভাত আজি ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। ১৮৭৫ চনত বংকিম চন্দ্ৰ চেটাৰ্জীয়ে এই গীতটি ৰচনা কৰিছিল। আলোচনা আৰম্ভ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বন্দে মাতৰম মন্ত্ৰই সমগ্ৰ দেশকে শক্তি আৰু অনুপ্ৰেৰণা যোগোৱাৰ লগতে স্বাধীনতা আন্দোলনতো প্ৰভাৱিন্বিত কৰিছিল। এই বিষয়টো লৈ আলোচনা কৰিবলৈ পোৱাটো দেশবাসীৰ লগতে সদনৰ প্ৰতিগৰাকী সদস্যৰ বাবে গৌৰৱ আৰু সৌভাগ্যৰ বিষয় বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো গৌৰৱৰ মহৎ অধ্যায় পুনৰ প্ৰতিষ্ঠাৰ এটা সুযোগ। তেওঁ কয় যে বন্দে মাতৰমে স্বাধীনতা সংগ্ৰামীসকলৰ সপোন বাস্তৱায়িত কৰাৰ বাবে জনসাধাৰণক অনুপ্ৰেৰণা যোগায়। প্ৰধানমন্ত্ৰীয়ে কয় যে বন্দে মাতৰমৰ শতবাৰ্ষিকীত সমগ্ৰ দেশত জৰুৰী অৱস্থা বলবৎ হৈ আছিল। যি সময়ত ৰাষ্ট্ৰীয় গীতটোৰ শতবাৰ্ষিকী পৰম উৎসাহেৰে উদযাপন কৰিব লাগিছিল সেই সময়ত সাংবিধানিক প্ৰমূল্যক অৱজ্ঞা কৰা হৈছিল আৰু যিসকলে দেশৰ বাবে জীৱন পণ কৰিছিল সেইসকলকো কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ এই অবিস্মৰণীয় সৃষ্টিয়ে ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ বংগ বিভাজন নীতিকো ওফৰাই দিবলৈ জনসাধাৰণক উৎসাহিত কৰিছিল বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে বন্দে মাতৰম হৈছে মহান সাংস্কৃতিক পৰম্পৰাৰ আধুনিক প্ৰকাশ। তেওঁ জনসাধাৰণৰ সৈতে এই গীতটিৰ গভীৰ সম্পৰ্কই দেশৰ স্বাধীনতা যুদ্ধৰ যাত্ৰাক প্ৰতিফলিত কৰে। বন্দে মাতৰমে স্বাধীনতা আন্দোলনক শক্তি আৰু পথ প্ৰদৰ্শন কৰিছিল বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে ১৯৩৭ চনত বন্দে মাতৰমৰ বিৰোধিতা কৰা মুছলিম লীগৰ ৰাজনীতিৰ বিষয়েও উল্লেখ কৰে। শ্ৰীমোদীয়ে বন্দে মাতৰমক আপোচ কৰাৰ বাবে কংগ্ৰেছক সমালোচনা কৰে। বিতৰ্কত অংশ লৈ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে বংগ দেশৰ বহু লেখক আৰু কবিৰ গীতে স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ভাষণত বিষয়টোত ৰাজনৈতিক ৰহন সনা বুলি শ্ৰীগগৈয়ে অভিযোগ তোলে। সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱে কয় যে বন্দে মাতৰমে জনসাধাৰণক একত্ৰিত কৰিছিল। বন্দে মাতৰমৰ আবেগে সাম্প্ৰদায়িক ৰাজনীতিক প্ৰত্যাখ্যান কৰিছিল বুলিও তেওঁ উল্লেখ

কৰে। আলোচনাৰ আৰম্ভণিতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আলোচনাৰ পাতনি মেলি ঔপনিবেশিক শোষণৰ বিৰুদ্ধে ভাৰতে যুঁজ দিয়াৰ কঠিন সময়ত বন্দে মাতৰমে আশাৰ সঞ্চাৰ কৰিছিল বুলি উল্লেখ কৰে।

০০০০০০০০

বিজেপিৰ সাংসদ অনুৰাগ সিং ঠাকুৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বন্দে মাতৰম সন্দৰ্ভত লোকসভাত দিয়া ভাষণটোক ঐতিহাসিক নথিত পৰিণত হোৱা বুলি উল্লেখ কৰি ই ভৱিষ্যতৰ প্ৰজন্মক উৎসাহিত কৰিব বুলি কয়। বিৰোধী নেতা ৰাহুল গান্ধী সদনত উপস্থিত নথকাৰ বাবে বিজেপিয়ে সমালোচনা কৰে। সংসদ ভৱনৰ বাহিৰত আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ সাংসদ মনোজ তিৱাৰীয়ে কয় যে বন্দে মাতৰম সন্দৰ্ভত এই গুৰুত্বপূৰ্ণ আলোচনাটি দেশৰ ঐক্য আৰু ইয়াৰ সংস্কৃতিৰ প্ৰতীকস্বৰূপ। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ সাংসদ সম্বিত পাত্ৰই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণে কংগ্ৰেছ দলে বন্দে মাতৰমৰ ক্ষেত্ৰত থকা বিশ্বাসঘাটকতা উদঙাই দিলে।

০০০০০০

দিল্লীৰ এখন আদালতে আজি যোৱা ১০ নৱেম্বৰত লালকিল্লাত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিজন চিকিৎসক আৰু এজন প্ৰচাৰকৰ নিয়াৰ জিম্মাৰ ম্যাদ ৪ দিনৰ বাবে বৃদ্ধি কৰিছে। ১০-দিনীয়া জিম্মাৰ ম্যাদ শেষ হোৱাৰ লগে লগে এই গোচৰত গ্ৰেপ্তাৰ হোৱা ডাঃ মুজাম্মিল দানাই, ডাঃ আদিল ৰাথেৰ, ডাঃ চাহিনা শ্বাইদ আৰু মৌলবী ইৰফান আহমেদ বাগাইক আদালতত হাজিৰ কৰোৱা হয়। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, নিয়াই এতিয়ালৈকে এই গোচৰ সন্দৰ্ভত সাতজন লোকক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাত জড়িত লোকসকলক চিনাক্ত কৰাৰ বাবে সংস্থাটোৱে বিভিন্ন ঠাইত অনুসন্ধান জলাই আছে। উল্লেখযোগ্য যে লালকিল্লাৰ বাহিৰত ডাঃ ওমৰ উন নবীয়ে চলোৱে এখন বিস্ফোৰক ভৰ্তি গাড়ীৰ বিস্ফোৰণৰ ১৫জন লোক নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হৈছিল।

০০০০০০

ভাৰতে স্বচ্ছ শক্তিৰ ক্ষেত্ৰত মুঠ শক্তি উৎসৰ ৫০ শতাংশ অজীৱাশ্ম উৎসৰ পৰা আহৰণ কৰা লক্ষ্যত উপনীত হৈছে। দেশে ২০৩০ চনত এই লক্ষ্যত উপনীত হোৱাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছিল আৰু পাঁচ বছৰ পূৰ্বেই দেশ এই লক্ষ্যত উপনীত হ'বলৈ সক্ষম হ'ল। লোকসভাত আজি শক্তি সম্পৰ্কীয় স্থায়ী সমিতিয়ে জলবায়ু সুৰক্ষাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাক সফলতাৰে ৰূপায়ণ কৰাৰ বাবে নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়কে ধৰি বিভিন্ন অংশীদাৰসকলক প্ৰশংসা কৰে। নতুন আৰু নবীকৰণযোগ্য মন্ত্ৰালয়ে দাখিল কৰা তথ্য অনুসৰি ২০২৫ চনৰ ৩০ জুন পৰ্যন্ত ভাৰতে মুঠ আহৰণ কৰা শক্তি ৪৮৫ গিগাৱাট আৰু ইয়াৰে ২৪৩ গিগাৱাট অৰ্থাৎ প্ৰায় ৫০ শতাংশ অজীৱাশ্ম শক্তি উৎসৰ পৰা আহৰণ কৰে। কমিটীখনে প্ৰকাশ কৰা মতে দেশে ইতিমধ্যে ১১৬ গিগাৱাট সৌৰশক্তি আহৰণ কৰিছে আৰু ২০৩০ চনলৈ ২৯২ গিগাৱাট শক্তিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০০০

ভাৰত-নেপাল সাংস্কৃতিক মহোৎসৱৰ তৃতীয় সংস্কৰণ আজি নেপালৰ লুম্বিনিত আৰম্ভ হৈছে। লুম্বিনি বৌদ্ধ বিশ্ববিদ্যালয় ভাৰতীয় সাংস্কৃতিক সম্পৰ্কৰ পৰিষদ আৰু কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে এই মহোৎসৱৰ আয়োজন কৰিছে। লুম্বিনি ভাৰত আৰু নেপালৰ ঐতিহ্যৰ প্ৰতীকস্বৰূপ। ভাৰতৰ বাবে লুম্বিনি বুদ্ধদেৱৰ জন্মস্থান হোৱাৰ লগতে বুদ্ধগয়া, সাৰনাথ আৰু কুশী নগৰকে ধৰি বৃহৎ পৰিসৰত বৌদ্ধ দৰ্শনৰ আত্মিক সম্প্ৰসাৰণ। ভাৰত-নেপাল সম্পৰ্কৰ লগতে উভয় দেশৰ জনসাধাৰণৰ সংযোগক উৎসাহিত কৰাৰ বাবে লুম্বিনিত বক্তৃতাৰ আয়োজন কৰা হয়। লুম্বিনি বৌদ্ধ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক টিকাৰাম আচাৰ্যই কয় যে এই শৈক্ষিক বক্তৃতাই উভয় দেশৰ মাজত বৌদ্ধিক বিনিময়ৰ লগতে সাংস্কৃতিক সম্পৰ্কক উৎসাহিত কৰাৰ বাবে সাঁকোৰ দৰে কাম কৰিব। দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক সুভ্ৰ বৰুৱা পাৱাগাড়িয়ে কয় যে ভাৰত আৰু নেপালৰ বুদ্ধৰ দৰ্শন বিশ্ব শান্তি আৰু বুজাপৰাৰ উল্লেখযোগ্য নিদৰ্শন।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ২০১৪ চনৰ পৰা ভাৰতত কুঁহিয়াৰ উৎপাদন ৪৪ শতাংশ বৃদ্ধি পাইছে বুলি আজি প্ৰকাশ কৰিছে। নতুন দিল্লীত কৃষি বাণিজ্য শীৰ্ষ সন্মিলন ২০২৫ত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে বজাৰ অন্বেষণ আঁচনিৰ অধীনত কৃষকসকলে যাতে উৎপাদিত সামগ্ৰীৰ সঠিক মূল্য লাভ কৰে তাক নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ১ হেক্টৰতকৈ কম মাটি থকা ক্ষুদ্ৰ কৃষকসকলৰ ক্ষেত্ৰত সংহত কৃষি আৰ্হি গ্ৰহণ কৰাৰ ক্ষেত্ৰত শ্ৰীচৌহানে গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে উদ্যান শস্যৰ ক্ষেত্ৰত যদি দাম এটা নিৰ্দিষ্ট সীমাৰ তললৈ নামে তেন্তে চৰকাৰে নিৰ্ধাৰিত দাম আৰু বিক্ৰী মূল্যৰ পাৰ্থক্যৰ ধনৰাশি পোনপটীয়াকৈ কৃষকৰ একাউণ্টত জমা দিব। কৃষকসকল বিজ্ঞানৰ মহান অনুশীলনকাৰী বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

শেহতীয়াকৈ ইণ্ডিগ' বিমানসমূহ উৰণত বিলম্ব তথা বাতিল হৈ থকাৰ পৰিপ্ৰেক্ষিতত অসামৰিক পৰিবহন মন্ত্ৰালয়ে জনাইছে যে ১ৰ পৰা ৭ ডিচেম্বৰৰ ভিতৰত ৫ লাখ ৮৬ হাজাৰ যাত্ৰীৰ নামৰ ৰেকৰ্ডৰ পি এন আৰ বাতিল কৰি ৫৬৯ কোটিতকৈ অধিক টকা ঘূৰাই দিয়া হৈছে। মন্ত্ৰালয়ে লগতে কয় যে মুঠ ৯ হাজাৰ বেগৰ ভিতৰত ৪ হাজাৰ ৫০০ বেগ গ্ৰাহকক ডেলিভাৰী কৰা হৈছে আৰু বাকী থকা বেগসমূহ অহা ৩৬ ঘণ্টাত ডেলিভাৰী কৰা হ'ব। মন্ত্ৰালয়ৰ তথ্য অনুসৰি ইণ্ডিগ' বিমান সংস্থাই ১৩৮টা গন্তব্যস্থানৰ ভিতৰত ১৩৭টা স্থানলৈ এহেজাৰ ৮০০ৰো অধিক বিমান চলাচল কৰোৱাৰ পৰিকল্পনা কৰিছে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথম খেল কাইলৈ কটকত খেলোৱা হ'ব। খেলখন কাইলৈ সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে ভাৰতীয় দলটোক নেতৃত্ব দিব।

০০০০০০০

**সমাপ্ত**